# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-06-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
-------------------

দেশৰ নিৰ্বাচন আয়োগে সমগ্ৰ দেশতে নিৰ্বাচনী ব্যৱস্থাৰ সু-পৰিচালনাৰ বাবে ২৩টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নিৰ্দেশমৰ্মে আজি দিছপুৰৰ ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সন্মিলন কক্ষত আয়োজিত এটা বিশেষ অনুষ্ঠানত নিৰ্বাচন আয়োগৰ যুটীয়া সঞ্চালক অনুজ চন্দক আৰু সহকাৰী সঞ্চালক অপূৰ্ব কুমাৰে এই নতুন পদক্ষেপসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। এই অনুসৰি এতিয়াৰে পৰা সকলোবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলৰ মোবাইল ফোন ৰখাৰ ব্যৱস্থা থাকিব। কোনো এটা ভোটগ্ৰহণ কেন্দ্ৰতে ভোটদাতাৰ সংখ্যা এহেজাৰ ২০০তকৈ অধিক নহ'ব। মৃত ভোটদাতাৰ তথ্য ভাৰতৰ মহাপঞ্জীয়কৰ তথ্য ভাণ্ডাৰৰ সৈতে যুক্ত কৰি ৰিজাই চোৱা হ'ব। তদুপৰি মহানগৰসমূহৰ বহুমহলীয়া আৱাসিক অঞ্চলসমূহতো ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰ লগতে ই চি আই নেট নামৰ ৱেবছাইট আৰু এপত সকলো তথ্য একত্ৰিত কৰাৰ ব্যৱস্থা কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলৰ বাবে ফটোযুক্ত পৰিচয় পত্ৰ আৰু তেওঁলোকৰ ভিতৰৰে এক লাখ গৰাকীক নতুন দিল্লীৰ ৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন পৰিচালনা প্ৰতিষ্ঠানত প্ৰশিক্ষিত কৰাৰ ব্যৱস্থা কৰা হৈছে। দুয়োগৰাকী বিষয়াই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটদাতাসকলৰ সচেতনতা বৃদ্ধি আৰু নিৰ্বাচন প্ৰক্ৰিয়া সম্পৰ্কত সঠিক তথ্য জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ বাবে আকাশবাণী আৰু দূৰদৰ্শনকে ধৰি সংবাদ মাধ্যমসমূহক সহযোগিতা কৰিবলৈ আহ্বান জনায়।

ooooo

ৰাজ্যিক নিৰ্বাচন আয়োগে কালি বি টি চি নিৰ্বাচনৰ বাবে ভোটাৰ তালিকা প্ৰকাশৰ জাননী জাৰি কৰে। এই অনুসৰি কাইলৈ ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হ'ব আৰু ২২ জুলাইত খচৰা তালিকা প্ৰকাশ পাব। ৫ আগষ্টৰ ভিতৰত দাবী আৰু আপত্তি দাখিল কৰিব পৰা হ'ব আৰু ১১ আগষ্টৰ ভিতৰত এইবোৰ নিষ্পত্তি কৰা হ'ব। ১৩ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা আৰু ১৮ আগষ্টত ভোটগ্ৰহণ কেন্দ্ৰৰ তালিকা প্ৰকাশ পাব।

ooooo

অসম চৰকাৰে ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক আজি নিযুক্তি পত্ৰ প্ৰদান কৰে। তৃণমূল পৰ্যায়ৰ পৰা মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই নিযুক্তি প্ৰদান কৰা হৈছে। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিজৰ ভাষণত কয় যে নৱনিযুক্ত বিষয়াসকলে চৰকাৰী চাকৰি লাভৰ সপোন বাস্তৱায়িত কৰাৰ লগতে উন্নত স্বাস্থ্য সেৱা প্ৰদানত সহায় কৰিব। বিগত কেইবছৰমানত স্বাস্থ্য সেৱাৰ দিশত লাভ কৰা সাফল্য হিচাপে

প্ৰসূতি মাতৃ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। ২০২৯ চনৰ ভিতৰত অসমত ৩০খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি ৰাজ্যখনক চিকিৎসা আৰু স্বাস্থ্য সেৱাৰ দিশত শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ৰাজ্যত ছখনৰ পৰা ১৩খনলৈ চিকিৎসা মহাবিদ্যালয় বৃদ্ধি পোৱাৰ ফলত সুলভ হাৰত স্বাস্থ্য সেৱা প্ৰদানৰ সুবিধা হৈছে। আজিৰ অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলো উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে যোৱা ৫ জুন পৰ্যন্ত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি প্ৰদান কৰিছে।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই উত্তৰ পূৰ্বাঞ্চলক জৈৱ বৈচিত্ৰ্য, পৰম্পৰাগত ঔষধ আৰু থলুৱা স্বাস্থ্য যতন জ্ঞানৰ ভাণ্ডাৰ বুলি অভিহিত কৰিছে। আজি ৰাষ্ট্ৰীয় ভেষজ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান নাইপাৰ গুৱাহাটীৰ সপ্তম সমাৱৰ্তন সমাৰোহত ভাষণ দি তেওঁ নাইপাৰৰ লেখিয়া প্ৰতিষ্ঠানে অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ মাধ্যমেৰে এই চহকী ঐতিহ্যক গোলকীয় পৰ্যায়লৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি মন্তব্য কৰে। ভেষজ খণ্ডৰ উন্নয়নত উত্তৰ পূৰ্বাঞ্চলৰ বৰ্ধিত ভূমিকাৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয় যে এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায় আৰু ৰাইজিং নৰ্থ-ইষ্টৰ দৰে উদ্যমসমূহৰ বলত উদ্ভাৱন, উদ্যমশীলতা আৰু ভেষজ উৎকৰ্ষৰ নতুন কেন্দ্ৰ হিচাপে ৰাজ্যত উত্থান ঘটিছে।

ooooo

সাহিত্য একাডেমীয়ে ২০২৫ বৰ্ষৰ যুৱ সাহিত্য আৰু শিশু সাহিত্য বঁটা লাভ কৰা ব্যক্তিসকলৰ তালিকা প্ৰকাশ কৰিছে। অসমৰ সুপ্ৰকাশ ভূঞাঁলৈ যুৱ সাহিত্য বঁটা আৰু সুৰেন্দ্ৰ মোহন দাসলৈ শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে। **কুঁচিয়ানামা** শীৰ্ষক চুটি গল্প সংকলনৰ বাবে শ্ৰীভূঞাঁই এই সন্মান লাভ কৰিছে। মইনাহঁতৰ পদ্যৰ বাবে সুৰেন্দ্ৰ মোহন দাসে শিশু সাহিত্য বঁটা লাভ কৰিছে।

ooooo

বিশ্ববিদ্যালয় অনুদান আয়োগে জাগীৰোড মহাবিদ্যায়লক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। এই উপলক্ষে জাগীৰোড বহুমুখী প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। সভাত মন্ত্ৰী পীযূষ হাজৰিকা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুনিৰাম পাটৰকে ধৰি স্থানীয় বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী শ্ৰীহাজৰিকাই মহাবিদ্যালয়খনৰ উন্নয়ন কামনা কৰাৰ লগতে স্থানীয় বিধায়ক হিচাপে কৰিবলগীয়া সকলো সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে।

ooooo

বৰপেটাৰ সাংবাদিক ৰাজু কুমাৰ দাসৰ আজি পুৱা বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি তেওঁ শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪২ বছৰ। প্ৰায় ২০ বছৰ ধৰি তেওঁ ভিডিঅ' সাংবাদিক হিচাপে অসমৰ লগতে কেইবাটাও ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ সৈতে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত বৰপেটা প্ৰেছ ক্লাবৰ লগতে কেইবাটাও দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত